# অসম বিধান সভা

## লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা

## বৃহস্পতিবাৰ, ৬ মাৰ্চ, ২০২৫

**এক্ট ইষ্ট পলিচি এফিয়াৰচ্, পৰিৱেশ আৰু বন, সংসদীয় পৰিক্ৰমা, বিদ্যালয় শিক্ষা, উচ্চ শিক্ষা, জনজাতি পৰিক্ৰমা (ভৈয়াম), সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান।**

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৫০**

---

*বিষয় ঃ* **বন বিভাগৰ Royalty সম্পৰ্কে**

শ্ৰীবসন্ত দাস ঃ

২৪৮। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মঙ্গলদৈ বিধান সভা সমষ্টিত নিৰ্মীয়মান Assam Skill University নিৰ্মাণ কাৰ্য্যত ব্যৱহৃত মাটি আৰু শিল-বালিৰ বাবদ ২০২২-২৩, ২০২৩-২৪ আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত অসম চৰকাৰৰ বন বিভাগে চালান যোগে কিমান পৰিমাণৰ Royalty ধন ইতিমধ্যে সংগ্ৰহ কৰিলে, লিখিত তথ্য দাখিল কৰিব।

(খ) মঙ্গলদৈ বিধান সভা সমষ্টিত নিৰ্মীয়মান By Pass Road নিৰ্মাণ কাৰ্য্যত ব্যৱহৃত মাটি আৰু শিল-বালিৰ বাবদ ২০২২-২৩, ২০২৩-২৪ আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত অসম চৰকাৰৰ বন বিভাগে চালান যোগে কিমান পৰিমাণৰ Royalty ধন ইতিমধ্যে সংগ্ৰহ কৰিলে, লিখিত তথ্য দাখিল কৰিব।

*বিষয় ঃ* **শিক্ষা বিভাগে সঠিক পরিকল্পনা রূপায়ণ করা সম্পর্কে।**

শ্ৰীনিজাম উদ্দিন চৌধুরী ঃ

২৪৯। মাননীয় শিক্ষা বিভাগীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) আলগাপুর বিধান সভা সমষ্টিতে শিক্ষা বিভাগে গত তিন বৎসরে SSA/RMS/NABARD/ADP থেকে কি কি কাজ করা হয়েছে, উহার বিস্তারিত বিবরণ দেওয়ার অনুরোধ রইল।

(খ) School list year wise-LP, ME, High School, Payment related documents, MB/MR, Bill-voucher Vendor, GST clearance, FR/LC-SMC Proceeding copy.

(গ) Hailakandi District এ Technical বিভাগে SSA/RMS J.E. পদে কতজন নিযুক্তি করা হয়েছে J.E. দের কাজ করার কতদিন হয়েছে?

(ঘ) কতদিন পরে Transfer Posting হয়ে থাকে উহার বিস্তারিত বিবরন সদনে তুলে ধরার অনুরোধ রইল।

*বিষয় ঃ* **অনুসূচীত জনজাতিৰ মৰ্য্যাদা**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

২৫০। মাননীয় জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আহোম, মৰাণ, মটক, চুতীয়া, কোঁচ ৰাজবংশী, চাহ জনগোষ্ঠীক এতিয়ালৈকে অনুসূচীত জনজাতিৰ মৰ্য্যাদা দিব নোৱাৰাৰ কাৰণবোৰ কি জনাব।

(খ) ছয় জনগোষ্ঠীৰ জনজাতিকৰণক লৈ কেন্দ্ৰলৈ কেতিয়া প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছিল, আৰম্ভণিৰে পৰা এতিয়ালৈকে কেন্দ্ৰ-ৰাজ্য চৰকাৰৰ মাজত কি কি আলোচনা হৈছে, কিমান চিঠি-পত্ৰ আদান-প্ৰদান হৈছে তাৰ তথ্য আৰু চিঠি পত্ৰৰ প্ৰতিলিপি সদনত দাখিল কৰিব।

(গ) অসম চৰকাৰে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে নিজাববীয়াকৈ কি কি কমিটী গঠন কৰিছে, সেই কমিটীত কোন কোন আছে তাৰ বিতং তথ্য আৰু জাতীয় দল-সংগঠনৰ সৈতে ক'ত, কেতিয়া, কিমানবাৰ বৈঠক হৈছে, সেই বৈঠকৰ সিদ্ধান্তসমূহ বিতংকৈ জনাব।

*বিষয় ঃ* **সরকারি স্কুলে কম্পিউটার বিজ্ঞান শিক্ষকের পদ শূন্যতা ও নিয়োগ সম্পর্কে অনুসন্ধান।**

শ্ৰীখলিল উদ্দিন মজুমদার ঃ

২৫১। মাননীয় শিক্ষা বিভাগীয় মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) জাতীয় শিক্ষা নীতি (NEP) ২০২০ অনুযায়ী, মাধ্যমিক স্কুল স্তর থেকে শিক্ষার্থীদের জন্য কম্পিউটার বিজ্ঞান ও কোডিং শিক্ষা বাধ্যতামুলক করা হয়েছে তাই বর্তমানে কতগুলি সরকারি স্কুলে নির্দিষ্ট কম্পিউটার বিজ্ঞান শিক্ষক রয়েছেন এবং কতগুলি সরকারি স্কুলে এই ধরনের শিক্ষকের অভাব রয়েছে? সে সম্পর্কে তথ্য প্রদান করবেন।

(খ) ভবিষ্যতে উচ্চ প্রাইমারি হাইস্কুল, এবং উচ্চ মাধ্যমিক স্তরে কম্পিউটার বিজ্ঞান শিক্ষক নিয়োগের কোনো পরিকল্পনা রয়েছে কি?

*বিষয় ঃ* **শিক্ষক-শিক্ষয়িত্ৰীৰ খালী পদ পূৰণ**

শ্ৰীনিজানুৰ ৰহমান ঃ

২৫২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত ২৯/০৮/২০২৪ ইং তাৰিখৰ তৰাবিহীন প্ৰশ্ন নং ১৭৮ৰ উত্তৰত ধুবুৰী জিলাৰ বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰী অনুপাতে খালী হৈ থকা শিক্ষক-শিক্ষয়িত্ৰীৰ নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত মুঠ ৪৯৬ গৰাকী, উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত মুঠ ১৩৫০ গৰাকীৰ পদৰ কথা জনোৱা হৈছিল। বৰ্তমানে উক্ত খালী পদসমূহ পূৰণ কৰা হ'লনে? যদি হৈছে, কোন কোন বিদ্যালয়ত, কিমান শিক্ষক-শিক্ষয়িত্ৰী নিয়োগ কৰা হৈছে? আৰু যদি হোৱা

নাই, তাৰ কাৰণ কি? (সমষ্টিভিত্তিত তালিকা সদনত দাখিল কৰিব)।

(খ) ধুবুৰী জিলাত উচ্চ, মধ্য ইংৰাজী আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ২০২২-২৩ বিত্তীয় বৰ্ষৰ পৰা ২০২৪-২৫ বিত্তীয় বৰ্ষলৈ সমগ্ৰ শিক্ষা, অসমৰ অধীনত কিমান পুঁজিৰ আবণ্টন দিয়া হৈছে?

(গ) RIDF আৰু NESIDS আঁচনিৰ জৰিয়তে ধুবুৰী জিলাত কিমানখন বিদ্যালয়ৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে কিমানখন আঁচনি গ্ৰহণ কৰা হৈছে? এতিয়ালৈকে কিমানখন বিদ্যালয়ত আঁচনি ৰূপায়ণ কৰা হ'ল আৰু কিমান বাকী আছে? (সমষ্টি ভিত্তিত আবণ্টিত ধনৰ লগতে বিদ্যালয়ৰ তালিকা সদনত দাখিল কৰিব)।

*বিষয় ঃ* **ৰবীন্দ্ৰ ভৱন**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

২৫৩। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰবীন্দ্ৰ ভৱনৰ উন্নয়নৰ বাবে পুঁজি আবণ্টন দিয়াৰ পিছতো ভৱনটো কিয় ৰাজহুৱা ব্যৱহাৰৰ বাবে মুকলি কৰা হোৱা নাই?

(খ) ৰবীন্দ্ৰ ভৱনৰ উন্নয়নৰ বাবে ২০১১ চনৰ পৰা হোৱা ব্যয়ৰ সবিশেষ তথ্য প্ৰদান কৰিব।

(গ) ২০১১ চনৰ পৰা বৰ্তমানলৈ চৰকাৰী আৰু বেচৰকাৰী সংস্থাৰ দ্বাৰা ৰবীন্দ্ৰ ভৱনত অনুষ্ঠিত হোৱা অনুষ্ঠানৰ তালিকা প্ৰদান কৰিব।

(ঘ) আবণ্টিত পুঁজি অপব্যৱহাৰৰ অভিযোগত চৰকাৰে কিবা তদন্ত কৰিছে নেকি? যদি কৰিছে সবিশেষ তথ্য দিব।

(ঙ) অসমৰ বিভিন্ন জিলাত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰিব পৰাকৈ ৰবীন্দ্ৰ ভৱনৰ দৰে ভৱন নিৰ্মাণ কৰিবনে?

*Sub.*: **Higher Education, Model Degree College.**

Shri MIHIR KANTI SHOME :

254. Will the Minister of Higher Education Department be pleased to state:

(a) On 28-8-24, Director of Higher Education was asked to submit an assessment report on Model Degree College in Udharbond constituency.

(b) Whether any report has been submitted by DHE ? If yes, Please furnish the report.

(c) What progress were made after report submitted ?

*বিষয় ঃ* **পদ প্ৰাদেশিকীকৰণ/বিদ্যালয় একত্ৰীকৰণ।**

শ্ৰীনজৰুল হক ঃ

২৫৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২১ বিত্তীয় বৰ্ষত প্ৰাদেশিকীকৰণ হোৱা প্ৰাথমিক, মধ্য ইংৰাজী বিদ্যালয়, ME মাদ্ৰাছাক ধৰি একত্ৰীকৰণ নোহোৱা বহু বিদ্যালয়ত বিভিন্ন বিষয়ত বহু শিক্ষক-শিক্ষয়িত্ৰীয়ে বহু বছৰ ধৰি বিনা বেতনে পাঠদান কাৰ্য্য চলাই থকাৰ বিষয়ে চৰকাৰ জ্ঞাত নে? যদি জ্ঞাত, উক্ত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ পদসমূহ প্ৰাদেশিকীকৰণ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(খ) বিদ্যালয় একত্ৰীকৰণ প্ৰক্ৰিয়া চলি আছে নেকি? যদি চলি আছে, বৰ্তমানে কিমানখন বিদ্যালয় একত্ৰীকৰণ কৰিবলৈ বাকী আছে?

(গ) একে ঠাইতে অঙ্গনবাড়ী, প্ৰাথমিক আৰু মধ্য ইংৰাজী বিদ্যালয় পৃথকে পৃথকে

পাঠদান কাৰ্য্য চলাই থকা বিদ্যালয়সমূহৰ একত্ৰীকৰণৰ প্ৰক্ৰিয়া কি ধৰণৰ হ'ব? এই ক্ষেত্ৰত বিদ্যালয়ৰ প্ৰধানৰ কিবা কৰণীয় আছে নেকি?

*বিষয় ঃ* **লাওখোৱা আৰু বুঢ়াচাপৰি বনাঞ্চল**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

২৫৬। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বুঢ়া চাপৰি, কোঁচ মাৰা আৰু লাওখোৱা অভয়াৰণ্যত বাঘ, সিংহ, হাতী, হৰিণ আদি বনৰীয়া জীৱ-জন্তুৰ সংখ্যা কিমান? (পৃথক তথ্য দিব)।

(খ) উক্ত অভয়াৰণ্য কেইখনৰ মুঠ মাটিকালি কিমান? (দীঘে-পথালিয়ে মাটিৰ দৈৰ্ঘ্য-প্ৰস্থ সহ হিচাপ দাখিল কৰিব)।

(গ) উপৰোক্ত অভয়াৰণ্যসমূহত কোন কোন বিদ্যালয়, অঙ্গনৱাড়ী কেন্দ্ৰ, চিকিৎসা কেন্দ্ৰ আছে আৰু সেই বিলাক কেতিয়া স্থাপন হৈছিল? উক্ত অনুষ্ঠানসমূহ স্থাপন কৰোতে বন বিভাগে অনুমতি দিছিল নে? যদি বনাঞ্চলৰ মাটিত এই বিলাক অনুষ্ঠান হৈছিল তেনেহ'লে বন বিভাগে বাধা দিয়া নাছিল কিয়? কিমান স্কুল উচ্ছেদ কৰা হৈছে?

*বিষয় ঃ* **এড্‌ভান্টেজ আসাম**

ডাঃ আচিফ মঃ নাজাৰ ঃ

২৫৭। মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰথম এড্‌ভান্টেজ আসাম সন্মিলনৰ পাছত অসমলৈ কিমান টকাৰ বিনিয়োগ আহিল?

(খ) এই বিনিয়োগৰ FDI কিমান? কোন কোন বিদেশী প্ৰতিষ্ঠানে ৰাজ্যত বিনিয়োগ কৰিলে?

(গ) এই সন্মিলনত ভাগ লোৱা কোন কেইটা দেশীয় প্ৰতিষ্ঠান, ব্যৱসায়িক গোষ্ঠীয়ে ৰাজ্যত ক'ত ক'ত বিনিয়োগ কৰিছে?

(ঘ) এই সন্মিলনৰ পৰিণতিত ৰাজ্যৰ ক'ত কি উদ্যোগ স্থাপন হ'ল?

(ঙ) এড্‌ভান্টেজ আসাম ২.০ ৰ ৰোডশ্ব' তথা প্ৰস্তুতি আৰু সামগ্ৰিক ব্যৱস্থাপনাৰ বাবে কিমান টকাৰ বাজেট ধাৰ্য্য কৰা হৈছে?

*বিষয় ঃ* **আইন মহাবিদ্যালয়**

শ্ৰীআশ্ৰাফুল হুছেইন ঃ

২৫৮। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত ২০ টা বিত্তীয় বৰ্ষত অসমৰ আইন মহাবিদ্যালয়সমূহলৈ চৰকাৰে কি ধৰণৰ বিত্তীয় সুবিধা প্ৰদান কৰিছে? কলেজ অনুযায়ী বিতং তথ্য দিব।

(খ) ভেঞ্চাৰ আইন মহাবিদ্যালয়সমূহৰ ক্ষেত্ৰত চৰকাৰৰ স্থিতি কি? ভৱিষ্যতে এই মহাবিদ্যালয়সমূহক চৰকাৰী আওঁতাত অনা আৰু বিত্তীয় সাহায্য প্ৰদানৰ ক্ষেত্ৰত কিবা পদক্ষেপ গ্ৰহণ কৰিবনে?

(গ) উচ্চ শিক্ষা সঞ্চালকালয়, কাহিলীপাৰাৰ দ্বাৰা জাৰি কৰা নিম্ন উল্লেখিত চিঠি দুখন ক্ৰমে No. PC/HE/Misc/4/2011/15, No. PC/HE/Misc/23/2014/30 আৰু ই-ফাইল নম্বৰ 247027 ৰ প্ৰতিলিপি দিব।

(ঘ) উচ্চ শিক্ষা বিভাগ জ্ঞাতনে যে ৰাজ্যৰ আইন মহাবিদ্যালয়সমূহে বিশ্ববিদ্যালয় অনুদান আয়োগত ১২ (B)ত পঞ্জীয়ন হোৱা নাই, যাৰ বাবে ৰুছাৰ দৰে সংস্থাৰ পৰা পোৱা অনুদানৰ পৰা বঞ্চিত হৈছে। এই অনুদান লাভৰ ক্ষেত্ৰত চৰকাৰে কিবা পদক্ষেপ ল'বনে?

(ঙ) হাব্রাঘাট মহাবিদ্যালয়ৰ আৰবী বিভাগৰ শিক্ষক ড° ইব্ৰাহীম আলী ভূএগৰ পদ প্ৰাদেশিকীকৰণ হৈছেনে? তেখেতে কেতিয়াৰ পৰা টিউটৰ্‌ হৈ আছে? তেখেত সহকাৰী অধ্যাপক হিচাপে বিবেচিত নোহোৱাৰ কাৰণ কি? যদি তেখেতৰ নথি শুদ্ধ নহয়, তেন্তে তেওঁৰ বিৰুদ্ধে কিয় ব্যৱস্থা লোৱা নহয়। যদি নথি শুদ্ধ, তেন্তে তেওঁক সহকাৰী অধ্যাপকৰ মৰ্য্যাদা নিদিয়াৰ কাৰণ কি?

*বিষয় ঃ* **এক্ট ইষ্ট পলিচি সম্পৰ্কে**

শ্ৰীতেৰছ গোৱালা ঃ

২৫৯। মাননীয় এক্ট ইষ্ট পলিচি এফিয়াৰচ্‌ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এক্ট ইষ্ট পলিচি মানে কি? এই পলিচি সম্পৰ্কে বিতংভাৱে জনাব।

(খ) এই পলিচিৰ অধীনত অসম কেনেদৰে উপকৃত হ'ব জনাব।

(গ) উক্ত পলিচিৰ অধীনত বৰ্তমানলৈকে কি কি কৰ্ম আঁচনি গ্ৰহণ কৰি ৰূপায়ণ কৰা হৈছে? সবিশেষ জনাব।

*বিষয় ঃ* **RHAC পুঁজি আৰু নিবিদা সম্পৰ্কে**

শ্ৰীযাদৱ স্বৰ্গীয়াৰী ঃ

২৬০। মাননীয় জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) Rabha Hasong Autonomous Council য়ে যোৱা ২০১৪-১৫ ইং বিত্তীয় বৰ্ষৰ পৰা ২০২৪-২৫ বৰ্ষলৈকে কিমান ধন পালে? তথ্য সহকাৰে জনাব।

(খ) উক্ত কাউন্সিলৰ বিভিন্ন বিভাগৰ উন্নয়নমূলক কামবোৰ নিবিদাৰ জৰিয়তে হয়নে? যদি হয়, তথ্য সহকাৰে লোক নিৰ্মাণ বিভাগৰ যোৱা ১০ বছৰৰ আঁচনিৰ সবিশেষ জনাব।

*বিষয় ঃ* **মেদৰটাৰি এম ই স্কুলখন হাইস্কুললৈ ৰূপান্তৰ সম্পৰ্কে।**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

২৬১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলেশ্বৰ সমষ্টিৰ অন্তৰ্গত মেদৰটাৰিত অৱস্থিত এম ই স্কুলখন বহুত পুৰণি আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও বেছি। লগতে বহুত অসুবিধাৰ সন্মুখীন হৈছে। গতিকে এই স্কুলখনক হাইস্কুললৈ ৰূপান্তৰ কৰিব পাৰিনে? যদি পাৰে, কেতিয়া পাৰিব আৰু যদি নোৱাৰে, কিয় নোৱাৰে জনাব।

(খ) জলেশ্বৰ সমষ্টিৰ অন্তৰ্গত কিমানখন স্কুলত অতিৰিক্ত শ্ৰেণী কোঠাৰ কাম সম্পূৰ্ণ হৈছে আৰু কিমানখন স্কুলত অতিৰিক্ত শ্ৰেণী কোঠাৰ কাম সম্পূৰ্ণ হোৱা নাই? তথ্য সহকাৰে জনাব।

(গ) জলেশ্বৰ সমষ্টিৰ অন্তৰ্গত এল পি আৰু এম ই স্কুলবোৰত খালী হৈ থকা পদবোৰৰ বিষয়ে চৰকাৰ অৱগতনে? যদি অৱগত, খালী পদবোৰ পূৰণ কৰিবনে? যদি কৰে, কেতিয়া কৰিব।

*বিষয় ঃ* **শিল-বালিৰ ৰাজহ সংগ্ৰহৰ বিষয়ে**

শ্ৰীফণীধৰ তালুকদাৰ ঃ

২৬২। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বেকী নদীৰ ওপৰত বৰপেটাৰোড আৰু মানাহ ৰেঞ্জত কিমানটা শিল-বালিৰ মহল আছে জনাব।

(খ) এই মহলবিলাকৰ পৰা দিনে-নিশাই শিল-বালি কঢ়িওৱা শ শ Dumper চলি আছে, কিন্তু তথ্য পোৱা অনুসৰি এখন Dumper এ দিনত ২৪ ঘণ্টাৰ ভিতৰত এক টিপৰহে চালান

কাটে আৰু বাকী টীপবোৰ চৰকাৰী চালান নোহোৱাকৈ চলি থাকে, এইবিষয়ে চৰকাৰ অৱগতনে? যদি অৱগত, প্ৰতিদিনে কিমান টকা ৰাজহ চৰকাৰলৈ আহে আৰু কিমান চালান প্ৰতিমাহত দিয়া হয়? তথ্য দিব।

(গ) বাক্সা জিলাত প্ৰতিদিনে কিমান CM শিল-বালি আহৰণ কৰা হয় আৰু চৰকাৰী ৰাজহ হিচাপত কিমান অৰ্থ সংগ্ৰহ হয় জনাব।

*বিষয় ঃ* **বড়ো-কছাৰী স্বায়ত্ব কল্যাণ পৰিষদৰ পুঁজি সম্পৰ্কত।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ

২৬৩। মাননীয় জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) BTRৰ বাহিৰৰ অঞ্চলৰ বড়ো-কছাৰীৰ উন্নয়ন আৰু বিকাশৰ বাবে গঠন কৰা বড়ো-কছাৰী স্বায়ত্ব কল্যাণ পৰিষদক ২০২১-২২, ২০২২-২৩, ২০২৩-২৪ আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত এতিয়ালৈকে কিমান পুঁজিৰ আবণ্টন দিলে আৰু আবণ্টন দিয়া কিমান পুঁজি মোকলাই দিয়া হ'ল জনাবনে।

(খ) বড়ো-কছাৰী স্বায়ত্ব কল্যাণ পৰিষদৰ বাবে ধাৰ্য্য কৰা বাৰ্ষিক পুঁজি বৃদ্ধি কৰাৰ বাবে চিন্তা কৰিবনে?

(গ) BTR ৰ বাহিৰৰ বিশেষকৈ গোৱালপাৰা, গহপুৰ আৰু বিশ্বনাথ জিলাৰ কিছু বড়ো-কছাৰী অধ্যুষিত অঞ্চলৰ জৰীপ হৈছে যদিও উক্ত অঞ্চলসমূহ বড়ো-কছাৰী স্বায়ত্ব কল্যাণ পৰিষদৰ অন্তৰ্ভুক্ত কৰাৰ বাবে এতিয়াও অধিসূচনা (Notification) হোৱা নাই, Notification জাৰি কৰাৰ তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিবনে?

*Sub.* : **Forest Villages in Mazbat Constituency.**

Shri CHARAN BORO :

264. Will the Minister of Environment & Forest Department be pleased to state:

(a) How many forest villages are there in the Mazbat constituency ?

(b) How many individual and community land titles have been granted under the Forest Rights Act ?

(c) Will the Government take immediate steps to convert areas or villages where land titles have been granted under the Forest Rights Act into revenue villages ? If yes, when ?

*বিষয় ঃ* **ব্যৱসায়িক কেন্দ্ৰ Business Hub কেন্দ্ৰ গঠন।**

শ্ৰীবিদ্যা সিং ইংলেং ঃ

২৬৫। মাননীয় এক্ট ইষ্ট পলিচি এফিয়াৰচ্ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ভাৰত চৰকাৰৰ অগ্ৰাধিকাৰ নীতি (Priority Policy) এক্ট ইষ্ট পলিচিৰ হিচাপত ডিফু চহৰৰ ভৌগোলিক অৱস্থান অতি গুৰুত্বপূৰ্ণ আৰু এই চহৰখনক দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ লগত আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়-বাণিজ্য আদি গঢ়ি তুলিবৰ বাবে এটা ব্যৱসায়িক কেন্দ্ৰ (Business Hub) হিচাপে গঠন কৰিব পৰা যায়নে, জনাব।

(খ) ডিফু চহৰক এটা আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক কেন্দ্ৰ হিচাপে গঢ়ি তুলিব হ'লে কি কি আন্তঃগাঁথনিৰ প্ৰয়োজন, বিতংকৈ জনাব।

(গ) এই আন্তঃগাঁথনিসমূহ গঢ়ি তোলাৰ বাবে চৰকাৰে কিবা পৰিকল্পনা কৰিছেনে? যদি কৰিছে, ইয়াৰ বিতং তথ্য দিব।

*বিষয় ঃ* **শিক্ষকৰ অভাৱ সন্দৰ্ভত**

শ্ৰীসুৰেন ফুকন ঃ

২৬৬। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিগবৈ সমষ্টিত আজিও বহু বিদ্যালয়, মহাবিদালয়ত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ অভাৱ আছে। এইক্ষেত্ৰত বিশেষকৈ প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়সমূহত পাঠদানৰ ক্ষেত্ৰত যথেষ্ট অসুবিধা হোৱা পৰিলক্ষিত হয়। বিভাগে এই বিদ্যালয়সমূহত শিক্ষক বৃদ্ধিৰ নিযুক্তিৰ ব্যৱস্থা হাতত লৈছে নেকি? (বিতংভাৱে জনাব)।

(খ) ডিগবৈ সমষ্টিত কিমানখন প্ৰাথমিক বিদ্যালয় এজনীয়া শিক্ষকেৰে চলি আছে? (তথ্য সহকাৰে জনাব)।

*বিষয় ঃ* **আদৰ্শ মহাবিদ্যালয় নিৰ্মাণ/মঞ্জুৰী**

হাফিজ বচিৰ আহমেদ ঃ

২৬৭। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

অসমত সৰ্বমুঠ কিমানখন আদৰ্শ মহাবিদ্যালয় নিৰ্মাণৰ মঞ্জুৰী দিয়া হৈছে? ধুবুৰী জিলাৰ বিলাসীপাৰা পশ্চিম বিধানসভা সমষ্টিৰ নায়েৰআলগাত মঞ্জুৰীকৃত আদৰ্শ মহাবিদ্যালয় (Model College)ৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হ'লনে? যদি হৈছে, তেন্তে কামৰ অগ্ৰগতিৰ খতিয়ান সদনত দাখিল কৰিব। যদি হোৱা নাই, তেন্তে কিয় আৰু কেতিয়া আৰম্ভ হ'ব?

*বিষয় ঃ* **সংস্কৃতি অধ্যয়ন বিষয়টো বিশ্ববিদ্যালয়/মহাবিদ্যালয় পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তি।**

শ্ৰীমতী শিৰামণি বৰা ঃ

২৬৮। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ অধীনস্থ বিশ্ববিদ্যালয়সমূহত "Cultural Studies" পাঠ্যক্ৰম আছেনে? যদি আছে, তেনেহ'লে কোন কেইখন বিশ্ববিদ্যালয়ত আছে, নাম জনাব।

(খ) যদিহে নাই, তেনেহ'লে উক্ত বিশ্ববিদ্যালয়সমূহত "Cultural Studies" পাঠ্যক্ৰম প্ৰৱৰ্তনৰ সিদ্ধান্ত চৰকাৰে গ্ৰহণ কৰিবনে? সবিশেষ জনাব।

(গ) চৰকাৰ অৱগতনে যে "Cultural Studies" পাঠ্যক্ৰমে তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত Folklore, North-East Studies, Oral History, Indian Knowledge System, Gender আদি কৰি বিভিন্ন বিষয় সামৰি লৈছে, যিয়ে উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ কৃষ্টি সংস্কৃতি অধ্যয়ন আৰু গৱেষণা কৰাত সহায়ক হৈছে। অসমৰ জনগোষ্ঠীসমূহৰ কৃষ্টি সংস্কৃতি অধ্যয়ন তথা গৱেষণাৰ বাবে ৰাজ্যৰ মহাবিদ্যালয়ৰ পৰ্য্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্য্যায়লৈ পাঠ্যক্ৰম প্ৰৱৰ্তন কৰিবলৈ কিবা পদক্ষেপ ল'বনে? সদনত সবিশেষ জনাব।

*বিষয় ঃ* **নতুনকৈ বাণিজ্য কেন্দ্ৰ নিৰ্মাণ**

ড° অমিয় কুমাৰ ভূঞা ঃ

২৬৯। মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) স্থানীয় কেঁচা সামগ্ৰীৰ ওপৰত ভিত্তি কৰি খাদ্য প্ৰস্তুতকৰণ উদ্যোগ স্থাপন কৰিবৰ বাবে চৰকাৰৰ তৰফৰ পৰা কেনেধৰণৰ সহায়-সহযোগ আৰু ৰাজসাহায্য আছে, সদনত জনাব।

(খ) চৰকাৰৰ হাতত নতুনকৈ বাণিজ্য কেন্দ্ৰ নিৰ্মাণৰ আঁচনি আছে নেকি? যদি আছে, বিহপুৰীয়া সমষ্টিত তেনে বাণিজ্য কেন্দ্ৰ স্থাপন কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিব নেকি?

*বিষয় ঃ* **জনজাতিকৰণ সম্পৰ্কে**

শ্ৰীমতী দীপ্তিময়ী চৌধুৰী ঃ

২৭০। মাননীয় জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আহোম, মৰাণ, মটক, চুতীয়া, চাহ জনগোষ্ঠী, কোঁচ ৰাজবংশী জনগোষ্ঠীৰ লোকসকলক অনুসূচীত জনজাতিৰ তালিকাভুক্ত কৰাৰ বিষয়টো বৰ্তমান কি পৰ্য্যায়ত আছে?

(খ) অসম বিধান সভাত এই সম্পৰ্কে কি প্ৰস্তাৱ লোৱা হৈছিল, তাৰ প্ৰতিলিপি সদনত দাখিল কৰিবনে? এই প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰক কেতিয়া দাখিল কৰা হৈছিল? বিষয়টোৰ অগ্ৰগতি সম্পৰ্কে সবিশেষ জনাবনে?

(গ) জনজাতিকৰণ সম্পৰ্কত অসম চৰকাৰৰ মন্ত্ৰী গোট গঠন কৰা হৈছে নেকি? কমিটীৰ মাননীয় সদস্যসকলৰ তালিকা জনাবনে? এই কমিটীৰ বৈঠক কেতিয়া অনুষ্ঠিত হৈছিল সবিশেষ জনাবনে? কমিটীয়ে কোনো সিদ্ধান্তলৈ কেন্দ্ৰীয় চৰকাৰলৈ পৰামৰ্শ প্ৰেৰণ কৰিছে নেকি?

(ঘ) কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা শেহতীয়া যোগাযোগৰ প্ৰতিলিপি সদনত দাখিল কৰিবনে?

*Sub.*: **Government Initiative for Skill-Oriented Coaching Centres in Schools and Colleges for Competitive Examinations under NEP 2020.**

Shri DIPAYAN CHAKRABORTY :

271. Will the Minister of School Education/Higher Education Department be pleased to state:

(a) In alignment with the vision of the National Education Policy (NEP) 2020, which promotes skill development and career readiness, does the Government have any plans to establish or support skill-oriented coaching centres in schools and colleges to prepare students for competitive examinations such as UPSC, APSC, SSC, Bank, TET, ADRE and other Government job exams ?

(b) If yes, could the Hon'ble Minister kindly share the details of the proposed initiatives or schemes aimed at enhancing students' employment opportunities through such coaching facilities ?

*বিষয় ঃ* **বিদ্যালয়ৰ প্ৰাদেশিকীকৰণ সম্পৰ্কে**

শ্ৰীবসন্ত দাস ঃ

২৭২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দৰং জিলাৰ অন্তৰ্গত কিমানখন প্ৰাথমিক, উচ্চ প্ৰাথমিক, উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মহাবিদ্যালয় এতিয়ালৈকে প্ৰাদেশিকীকৰণ হোৱা নাই আৰু প্ৰাদেশিকীকৰণ নোহোৱাৰ কাৰণ কি? অপ্ৰাদেশীকৃত বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণৰ কিবা ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে নেকি জনাব।

(খ) মঙ্গলদৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত খাৰুপেটীয়া মহাবিদ্যালয়ৰ বাণিজ্য শাখা ১৯৯৯ চনত প্ৰতিষ্ঠা আৰু ২০০৩-০৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুমতি লাভ কৰি শিক্ষাদান কৰি থকা স্বত্বেও বৰ্তমানলৈকে কিয় প্ৰাদেশিকীকৰণ হোৱা নাই জনাব।

(গ) খাৰুপেটীয়া মহাবিদ্যালয়ৰ বাণিজ্য শাখা প্ৰাদেশিকীকৰণ কিবা ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে নেকি? যদি ব্যৱস্থা গ্ৰহণ কৰিছে, কেতিয়া প্ৰাদেশিকীকৰণ হ'ব জনাব।

*বিষয় ঃ* **চাদিম বজাৰ হাইস্কুল/বিল্ডিং নিৰ্মাণৰ টকা।**

শ্ৰীকৰিম উদ্দিন বৰভুঁএগ্ৰ ঃ

২৭৩। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ প্ৰতিটো সমষ্টিত Model High School হিচাপে চৰকাৰে চিহ্নিত কৰাৰ পিছত প্ৰত্যেকখন হাইস্কুলৰ বিপৰীতে বিল্ডিং নিৰ্মাণৰ নামত কিমান ধন আবণ্টন দিছে? (স্কুলৰ নাম, আবণ্টিত টকাৰ পৰিমাণ সহ বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব)।

(খ) ১০ নং সোনাই বিধান সভা সমষ্টিৰ অন্তৰ্গত 'চাদিম বজাৰ হাইস্কুলখনক চৰকাৰে Model High School হিচাপে ঘোষণা কৰাৰ পিছতো বিল্ডিং নিৰ্মাণৰ ধন আবণ্টন নিদিয়াৰ কাৰণ কি জনাব।

*Sub.*: **Proposal of Autonomous University for Teok CKB College.**

Shri RUPJYOTI KURMI :

274. Will the Minister of Higher Education Department be pleased to state:

(a) Whether the Government is aware that Teok CKB College, Situated at Mariani have achieved A+Grade from NAAC in 2023 and that college have 100 Bighas of Land ?

(b) If yes, will the Government propose the college for a Autonomous University ?

(c) If yes, by when ?

*Sub.* : **Forest Nursery**

Shri SIRAJUDDIN AJMAL :

275. Will the Minister of Environment and Forest Department be pleased to state:

(a) How many numbers of nurseries are run by the forest department under Nagaon South Division, Hojai ? Please give in details location wise ?

(b) What different species of trees are raised in these nurseries ? Please furnish the quantities of trees species wise ?

(c) Does any fund is utilized to maintain these nurseries ? If so, give in details for the current year and for the last three financial years ?

*বিষয় ঃ* **টিম্বাৰ লাইসেন্স সম্পৰ্কে**

শ্ৰীখলিল উদ্দিন মজুমদার ঃ

২৭৬। মাননীয় পরিবেশ এবং বন বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করে জনাবেন কি ঃ

(ক) ২০২১ ইং থেকে করিমগঞ্জ ফরেস্ট ডিভিশন থেকে কাটিগড়া সমষ্টিতে কয়টি টিম্বাৰ লাইসেন্স প্রদান করা হয়ছে? কোন কোন ব্যক্তি বা প্রতিষ্ঠানকে এই লাইসেন্স প্রদান করা হয়েছে বিস্তারিত তথ্য তুলে ধরার অনুরোধ রইলো।

(খ) কাটিগড়া সমষ্টির কয়টি পাথর খনির বৈধ অনুমোদন রয়ছে? খনি গুলোর নাম, মহলদারদের নাম ও কত পরিমাণ (ঘন মিটার) পাথর সংগ্রহ বা বিক্র করার অনুমোদন রয়ছে? বিস্তারিত তথ্য ধরার অনুরোধ রইলো।

*Sub.* : **Works under Act East Policy**

Shri. ABDUR RASHID MANDAL :

277. Will the Minister of Act East Policy Affairs Department be pleased to state :

(a) Please furnish the Act East Policy and works done under this policy during the period from 2017-18 till date.

(b) Please furnish the works done in connection with the following Schemes under the Act East Policy Affairs-

(i) Devlopment of NH-153 (Stillwell Road)

(ii) Development of ASEAN Highway.

(iii) Connectivity to Bhutan.

(iv) Connectivity to Bangladesh through NH-51, NH- 40, NH-151, NH-44.

(v) Connectivity with the Republic of China through Arunachal Pradesh.

(vi) Connectivity of NER with the Rest of the country.

(vii) Industrial growth of North Eastern Region.

*বিষয় ঃ* জাগীৰোডত 'টাটা'ৰ চেমি কণ্ডাক্টৰ উদ্যোগ আৰু এড্‌ভান্টেজ আছাম।

শ্ৰীঅখিল গগৈ ঃ

২৭৮। মাননীয় উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জাগীৰোডত 'টাটা'ক ছেমি কণ্ডাক্টৰ আৰু অন্যান্য উদ্যোগ নিৰ্মাণৰ বাবে কিমান মাটি দিয়া হৈছে? ইয়াৰে কিমান পূৰ্বৰ জাগীৰোড কাগজ কলৰ মাটি আছিল আৰু কিমান অন্য মাটি দিয়া হৈছে? দাগ নম্বৰ, পট্টা নম্বৰ সহকাৰে মুঠ মাটিৰ তালিকা সদনত দাখিল কৰিব।

(খ)'টাটা'ই ছেমি কণ্ডাক্টৰ স্থাপনৰ বাবে মাটিৰ বাদেও ৰাজ্য আৰু কেন্দ্ৰৰ পৰা কি কি সাহায্য অথবা ৰাজসাহাৰ্য্য লাভ কৰিব? তালিকা দিব। 'টাটা'ৰ এই উদ্যোগত অসমৰ কিমান নাগৰিকে কৰ্মসংস্থাপন পাব, পদবীৰ নাম উল্লেখ কৰি মুঠ কৰ্মসংস্থাপনৰ সংখ্যা জনাব।

(গ) "এড্‌ভান্টেজ আছাম" ১ আৰু ২ য়ে অসমলৈ কঢ়িয়াই অনা উদ্যোগৰ তালিকা, উদ্যোগৰ স্থান আৰু পুঁজিৰ পৰিমাণ সদনত দাখিল কৰিব।

(ঘ) জাগীৰোডত ছেমি কণ্ডাক্টৰ উদ্যোগৰ উপৰিও কি কি উদ্যোগ স্থাপন হ'ব?

*বিষয় ঃ* Naac Accerditation সম্পৰ্কিত

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

২৭৯। মাননীয় শিক্ষা বিভাগীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জনাইবেন কী ঃ

(ক) আসামের কোন কোন কলেজ Naac Accreditation প্ৰাপ্ত হইয়াছে এবং কি কি ধরনের গ্ৰেড পাইয়াছে? তাহা জিলা ভিত্তিক তথ্য সদনে প্ৰদানের অনুরোধ জনাই।

(খ) আসামের কোন কোন কলেজ established হওয়ার কত বছর পর Naac Accreditation করিয়াছে? তাহার জিলা ভিত্তিক তথ্য সদনে প্ৰদানের অনুরোধ জানাই।

(গ) আসামের বিগত তিন বছরের PM-USHA হইতে মোট কয়টি কলেজে কত ধন পাইয়াছে? কলেজের নাম সহ জেলাভিত্তিক তালিকা সদনে প্ৰদানের অনুরোধ জানাই।

(ঘ) কাটিগড়া সমষ্টির "Satya Rajan College" ও Sribhumi জেলার "Karimganj College" PM-USHA হইতে কোন অনুদান পায় নাই এবং কবে নাগাদ পাইবে? তাহার তথ্য সদনে প্ৰদানের অনুরোধ জনাই।

(ঙ) আমামের উচ্চ শিক্ষার ক্ষেত্র বর্তমান Ger dropout এবং Pass rate এর তথ্য সদনে প্ৰদানের অনুরোধ জনাই।

(চ) ২০০১ সালে হইতে অদ্যাবধি আসামের মেডিকেল কলেজ, Engineering College গুলির MBBS এবংB.E. ওP.G. কোর্স এর ভর্তি সংখ্যা কত ছিল তার বৎসর ভিত্তিক তথ্য সদনে প্রদানের অনুরোধ জানাই।

*বিষয় ঃ* **নামঘৰ, মছজিদ আদি**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

২৮০। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ কোন কোন নামঘৰ, মছজিদ আদিত কিমান অনুদান বিগত দিনত দিয়া হৈছিল?

(খ) অসম দৰ্শনৰ জৰিয়তে কোন কোন জিলাত কিমান অনুষ্ঠান লাভান্বিত হৈছে?

*বিষয় ঃ* **শিক্ষক নিযুক্তি সম্পৰ্কে**

ডাঃ আচিফ মঃ নাজাৰ ঃ

২৮১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে যিবোৰ হাইস্কুল, হায়াৰ ছেকেণ্ডেৰীলৈ উন্নীতকৰণ কৰিলে সেইবোৰ বিদ্যালয়ত Post Graduate Teacher (PGT) কেতিয়ালৈ নিযুক্তি দিব? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

(খ) অসম চৰকাৰে ২০১৩ চনত প্ৰাদেশিকীকৰণ কৰা মজলীয়া/উচ্চ/উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ বৰ্তমানলৈকে কিমানজন শিক্ষক কৰ্মচাৰী অৱসৰ গ্ৰহণ কৰিলে? সমষ্টি ভিত্তিত সম্পূৰ্ণ তালিকা সদনৰ মজিয়াত দাখিল কৰিব।

(গ) উক্ত বিদ্যালয়সমূহৰ খালী পদসমূহ পূৰণ কৰিবলৈ অসম চৰকাৰে কিবা পৰিকল্পনা কৰিছে নেকি? যদি কৰিছে, কেতিয়াৰ পৰা খালী পদসমূহ পূৰণ কৰিব? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব)।

*বিষয় ঃ* **প্ৰাদেশিকীকৰণ সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

২৮২। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পূৰ্বৰ সৰুক্ষেত্ৰী সমষ্টিৰ কয়াকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়খনৰ বাণিজ্য শাখাৰ এতিয়ালৈকে কিয় প্ৰাদেশিকীকৰণ হোৱা নাই? কাৰণ জনোৱাৰ লগতে কেতিয়া প্ৰাদেশিকীকৰণ কৰা হ'ব? বিতং তথ্য দিব।

(খ) পূৰ্বৰ সৰুক্ষেত্ৰী সমষ্টিৰ দক্ষিণ পাকা আঞ্চলিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ এতিয়ালৈকে কিয় প্ৰাদেশিকীকৰণ হোৱা নাই? কাৰণ জনাব আৰু কেতিয়া প্ৰাদেশিকীকৰণ কৰা হ'ব, জনাব।

*বিষয়ঃ* **বনৰীয়া হাতী সম্পৰ্কে**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

২৮৩। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাৰ লগতে জলেশ্বৰ সমষ্টিৰ আজিলৈকে কিমানজন মানুহে বনৰীয়া হাতীৰ আক্ৰমণত মৃত্যুবৰণ কৰিলে, সেই বিষয়ে চৰকাৰ অৱগত নে? যদি অৱগত, তথ্য সহকাৰে জনাব।

(খ) বনৰীয়া হাতীৰ তাণ্ডৱৰ পৰা পৰিত্ৰাণ পাবলৈ চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নে? যদি লৈছে, কেতিয়া ৰূপায়ণ কৰা হ'ব?

*বিষয় ঃ* **নামঘৰৰ বাবে ধন ৰাশিৰ আবন্টন**

শ্ৰীফনীধৰ তালুকদাৰ ঃ

২৮৪। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ভৱানীপুৰ সমষ্টিৰ ২৫ টা নামঘৰৰ বাবে অসম চৰকাৰে এক নিৰ্দেশ মৰ্মে বৰপেটা

জিলা আয়ুক্তলৈ Sanction No-FS/14-2023-161, Proposal No FS-14-2023-24-00146 যোগেদি অসম দৰ্শন আঁচনিৰ অধীনত ৭৫ লাখ টকা প্ৰেৰণ কৰাৰ পিছতো উক্ত ২৫ টা নামঘৰে আজিলৈকে সেই ধনৰাশি নাপালে। ইয়াৰ পিছতো যোৱা অসম বিধান সভাৰ ২৯-০৮-২০২৪ ইং তাৰিখত এক মৌখিক প্ৰশ্নৰ উত্তৰত বিভাগৰ ফালৰ পৰা উক্ত আঁচনিৰ ধনৰাশি ২০২৪-২৫ বিত্তীয় বৰ্ষতে লাভ কৰিব বুলি ঘোষণা কৰাৰ পিছতো আজিলৈকে উক্ত ধনৰাশি নোপোৱাৰ কাৰণ কি?

(খ) উক্ত ধনৰাশি এই বিত্তীয় বৰ্ষতে নামঘৰসমূহে লাভ কৰিবনে?

*বিষয় ঃ* **সৰুপথাৰ সমষ্টিৰ দয়ালপুৰ প্ৰাথমিক বিদ্যালয় সন্দৰ্ভত।**

শ্ৰীবিশ্বজিৎ ফুকন ঃ

২৮৫। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সৰুপথাৰ সমষ্টিৰ দয়ালপুৰ প্ৰাথমিক বিদ্যালয়ত সৰ্বমুঠ কিমান ছাত্ৰ-ছাত্ৰী আৰু কিমান শিক্ষক-শিক্ষয়িত্ৰী আছে?

(খ) এই প্ৰাথমিক বিদ্যালয়ত উত্তীৰ্ণ হোৱাৰ পিছত শিক্ষা লাভ কৰিবৰ বাবে নিকটৱৰ্ত্তী চৰকাৰী বিদ্যালয়খনৰ দূৰত্ব কিমান?

(গ) বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়খনৰ ভৱিষ্যত সম্পৰ্কে চৰকাৰৰ কিবা পৰিকল্পনা আছে নেকি?

*বিষয় ঃ* **Act East Policy Affairsৰ কামৰ সন্দৰ্ভত।**

শ্ৰীচক্ৰধৰ গগৈ ঃ

২৮৬। মাননীয় এক্ট ইষ্ট পলচি এফিয়াৰছ্ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) Act East Policy ৰ অধীনত বৰ্তমান অসম চৰকাৰে কি কি কাৰ্য্যক্ৰম হাতত লৈছে? ইয়াৰ লক্ষ্য কি কি?

(খ) Advantage Assam ৰ কাৰ্য্যক্ৰম Act East Policyৰ অংশ হয় নেকি?

(গ) যদি হয়, এই Advantage Assam এ Act East Policy ৰ লক্ষ্য প্ৰাপ্তিত কেনেকৈ সহায় কৰিব।

*বিষয় ঃ* **বিদ্যালয়ৰ সংখ্যা সম্পৰ্কে**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

২৮৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান চৰকাৰী বিদ্যালয় আছিল আৰু এতিয়া কিমান আছে? কিমান চৰকাৰী বিদ্যালয় বন্ধ কৰি দিয়া হৈছে? জিলা ভিত্তিত তালিকাসহ তথ্য সহকাৰে জনাব।

(খ) অসমত আজিলৈ কিমান বে-চৰকাৰী (ভেঞ্চাৰ) স্কুল আছে? ইয়াৰে কিমানখনক চৰকাৰীকৰণ কৰাৰ পৰিকল্পনা কৰিছে? তথ্য সহকাৰে জনাব।

(গ) অসমৰ যিবিলাক বে-চৰকাৰী (ভেঞ্চাৰ) বিদ্যালয়ক Mid-day-meal আৰু F.A. (Financial Assistance) দিয়া হৈছিল, সেইবিলাক বিদ্যালয়ক চৰকাৰীকৰণ কৰিবনে? যদি নকৰে কিয়? তথ্য সহকাৰে জনাব।

*Sub.*: **Teachers appointment in Model Tea Garden High Schools.**

Shri CHARAN BORO :

288. Will the Minister of School Education Department be pleased to state :

(a) Has the Government appointed permanent teachers in Model Tea Garden High Schools across tea garden areas in the state?

(b) Is the Government aware that teachers in Model Tea Garden High Schools in Beteli and Dhansiri Tea Gardens in Mazbat constituency have been appointed on a deputation basis, yet there is still a shortage of both teaching and non-teaching staff? Will the Government take steps to make permanent appointments to ensure the efficient and effective functioning of these schools?

*বিষয়ঃ* বননি কৰণ

শ্ৰীবিদ্যা সিং ইংলেং ঃ

২৮৯। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ পাহাৰীয়া জিলাসমূহত এতিয়াও ঝুম খেতি প্ৰচলন হৈ থকাৰ বাবে বহুত বনাঞ্চল ধবংস হোৱাৰ ফলস্বৰূপে কিমান হেক্টৰ মাটি গছ-গছনি বিহীনভাৱে পৰিত্যক্ত হৈ আছে?

(খ) এই পৰিত্যক্ত গছ-গছনি বিহীন মাটি সমূহত নতুনকৈ গছ-গছনি ৰোপণ কৰি বনাঞ্চললৈ ৰূপান্তৰ কৰাৰ কিবা ব্যৱস্থা কৰা হৈছেনে?

(গ) যদি হৈছে, তেনেহ'লে এতিয়ালৈকে ঝুম খেতিৰ ফলত সমগ্ৰ অসমত ধবংস হোৱা কিমান হেক্টৰ মাটিত বৃক্ষ ৰোপণ কৰি নতুনকৈ বনাঞ্চল গঢ়া হৈছে?

(ঘ) এই আঁচনিৰ জৰিয়তে এতিয়ালৈকে ঝুম খেতিৰ বাবে ধবংস হোৱা ডিফু বিধান সভা সমষ্টিৰ অন্তৰ্গত বনাঞ্চল সমূহত কিমান হেক্টৰ মাটিত নতুনকৈ বননীকৰণ কৰা হৈছে?

*বিষয়ঃ* কম্পিউটাৰ শিক্ষক-হিন্দী শিক্ষক

শ্ৰীআশ্ৰাফুল হুছেইন ঃ

২৯০। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আনন্দৰাম বৰুৱা এৱাৰ্ড, চাইকেল বিতৰণ, স্কুটি বিতৰণ, চেক বিতৰণ, এপইন্টমেণ্ট বিতৰণ আদি কাৰ্য্যসূচী ৰূপায়ণৰ বাবদ এই বিভাগে চলিত বিত্তীয় বৰ্ষত কোন কাৰ্য্যসূচীত, কি শিতানত আৰু কি পৰিমাণৰ ধন খৰছ কৰিছে?

(খ) উচ্চ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে ডি এল এড উত্তীৰ্ণ হ'লে দৰমহা /ভাত্তা কিছু পৰিমাণে বৃদ্ধি পায় নেকি? যদি হয়, তেন্তে প্ৰি-চিনিয়ৰ মাদ্ৰাছাৰ পৰা উচ্চ প্ৰাথমিক বিদ্যালয় হোৱা শিক্ষকসকলে ২০১৮-১৯ চনৰ পৰা এই লাভ পোৱাৰ পৰা বঞ্চিত হৈ আছে কিয়?

(গ) বিদ্যালয় শিক্ষা বিভাগৰ অধীনত সকলো চৰ্তপূৰ্ণ কৰা টিউটৰসকলৰ কিমান সংখ্যকক আজিলৈ শিক্ষক হিচাপে উন্নীতকৰণ কৰা হ'ল? আজিলৈ কিমান সংখ্যক শিক্ষকে সকলো চৰ্ত সম্পূৰ্ণ কৰিছে যদিও শিক্ষকৰ সুবিধা আৰু লাভ পাই থকা নাই? তাৰ তালিকা দিব।

(ঘ) ৰাজ্যত কোন জিলাত কিমান সংখ্যককৈ হাইস্কুল আছে? ইয়াৰে কম্পিউটাৰ শিক্ষাৰ সুবিধা কিমানত আছে? শিক্ষক কিমানত আছে?

(ঙ) বাণীকান্ত কাকতি কম্পিউটাৰ লিটাৰেছি প্ৰগ্ৰেমত কৰ্মৰত শিক্ষকসকলক কি পৰিমাণৰ দৰমহা আৰু অন্য কি সুবিধা দিয়া হয়? এওঁলোকক স্কেল পে দিয়াৰ ব্যৱস্থা বিভাগে কৰিব নে?

*বিষয়ঃ* **বিভাগ গঠনৰ লক্ষ্য আৰু উদ্দেশ্য**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

২৯১। মাননীয় এক্ট ইষ্ট পলিচি এফিয়াৰছ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এক্ট ইষ্ট পলিচি এফিয়াৰছ বিভাগটো গঠনৰ লক্ষ্য আৰু উদ্দেশ্য কি? আৰম্ভণিৰে পৰা এতিয়ালৈকে বিভাগটোৰ কাম-কাজৰ বিস্তৃত তথ্য দাঙি ধৰিব।

(খ) ASEAN, BBIN আৰু BIMSTEC ৰ ভিতৰত কোনবোৰ দেশ অন্তৰ্ভুক্ত হৈ আছে? এই দেশ সমূহৰ সৈতে অসমৰ যোগাযোগ, শিক্ষা, বাণিজ্য, সাংস্কৃতিক সম্বন্ধ ভাল কৰিবৰ বাবে কি কি পদক্ষেপ লোৱা হৈছে? বিতংকৈ জনাব।

(গ) উড়ান (UDAN) আঁচনিৰ অধীনত অসমৰ সৈতে কোন কোন চুবুৰীয়া ৰাজ্য আৰু বিদেশী ৰাষ্ট্ৰৰ সৈতে কেতিয়াৰ পৰা বিমানৰ যাতায়ত আৰম্ভ হৈছিল। বিমান সংস্থাৰ নাম, তাৰিখসহ জনাব।

(ঘ) বৰ্তমান ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় গতিপথত অসমৰ পৰা প্ৰত্যক্ষভাৱে চলি থকা বিমান যাতায়তৰ বিতং তথ্য, কোনবোৰ ঘৰুৱা, আন্তঃৰাষ্ট্ৰীয় গতিপথত বিমানৰ চলাচল ইতিমধ্যে বন্ধ হ'ল আৰু Viability Gap Funding (VGF) ৰ বাবে ৰাজ্য চৰকাৰে এতিয়ালৈকে কিমান টকা দিছে তাৰ বৰ্ষভিত্তিক তথ্য দাখিল কৰিব।

(ঙ) অসমৰ সৈতে সংলগ্ন হৈ থকা বিদেশী ৰাষ্ট্ৰৰ সৈতে স্থল, জল বন্দৰৰ জৰিয়তে হোৱা বেহা-বেপাৰ, মানুহ অহা-যোৱা কৰাৰ বৰ্ষভিত্তিক বিতং তথ্য দাখিল কৰিব।

*বিষয় ঃ* **এড্ভানটেজ আছাম সম্পৰ্কে**

শ্ৰীতেৰছ গোৱালা ঃ

২৯২। মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এড্ভানটেজ আছাম কি? এড্ভানটেজ আছামৰ জৰিয়তে অসমীয়া লোকসকলে কেনেদৰে উপকৃত হ'ব? বিস্তাৰিত ভাৱে জনাব।

(খ) এড্ভানটেজ আছাম - ২.০ ৰ জৰিয়তে দেশী-বিদেশী উদ্যোগপতি সকলে কি কি শিতানত বিনিয়োগ কৰাৰ সম্ভাৱনা আছে? সবিশেষ জনাব।

(গ) এড্ভানটেজ আছাম - ২.০ ত কোন কোন বিদেশী ৰাষ্ট্ৰৰ বিনিয়োগকাৰী সকল অংশ গ্ৰহণ কৰাৰ সম্ভাৱনা আছে? নামসমূহ উল্লেখ কৰিব।

(ঘ) এই সম্পৰ্কে অসমৰ ৰাইজৰ মাজত কেনেদৰে সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে জনাব।

*Sub.*: **Industrial and service sector in Barak Valley.**

Shri DIPAYAN CHAKRABORTY :

293. Will the Minister of Industries, Commerce & Public Enterprises Department be pleased to state :

(a) The Government of Assam has taken bold initiative to attract investment in the industrial and service sector in Assam.

(i) In this connection whether the Government is planning to set up Industrial hub in the Barak Valley Districts?

(ii) Whether the Government is planning to develop Agro processing industries in the Barak valley districts?

(iii) What is the plan for setting industries in the abandoned Panchgram paper mill area?

*বিষয় ঃ* **উচ্চ মাধ্যমিক বিদ্যালয়ের পরিকাঠমো উন্নয়ন প্রকল্পের কাজ বিলম্বিত হওয়া।**

শ্রীখলিল উদ্দিন মজুমদার ঃ

২৯৪। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) কাটিগড়া সমষ্টির অন্তর্গত তারিণীপুর উচ্চ মাধ্যমিক বিদ্যালয়ের পরিকাঠামো উন্নয়ন

প্রকল্প (RIDF ২০২৩-২৪) এর অধীনে বিগত ৬ মার্চ ২০২৪ ইংরেজি তারিখে তৎকালীন মন্ত্রী মাননীয় পরিমল শুক্লবৈদ্য মহাশয় দ্বারা অনুমোদিত হয়েছিল। এখন পর্যন্ত এই প্রকল্পের কাজ শুরু হয়নি কেন? জানানোর অনুরোধ রইলো।

(খ) এই প্রকল্পের বাস্তবায়নের জন্য সরকার কি কোনো পদক্ষেপ গ্রহণ করেছে?

(গ) বরাদ্দকৃত ৭ কোটি টাকা কি ইতিমধ্যে মুক্তি দেওয়া হয়েছে? যদি হয়ে থাকে, তবে কোথায় সেই অর্থ ব্যয় হয়েছে বিস্তারিত তথ্য তুলে ধরার অনুরোধ রইলো।

*Sub.* : **Universities and Vice Chancellors.**

ABDUR RASHID MANDAL :

295. Will the Minister of Higher Education Department be pleased to state :

(a) List of Universities in Assam and date of establishment of each.

(b) Name of Vice-Chancellors of all Govt. Universities in Assam and date of joining of each as Vice-Chancellor.

(c) Please furnish the selection procedures of appointment of the Vice-Chancellors and eligibility of becoming vice-chancellor of a Govt. University.

(d) List of Private Universities, Private Engineering Colleges, Private Medical Colleges, Private Para Medical Colleges and Private Para Degree Colleges in Assam with date of establishment of each.

(e) List of Colleges which are up graded to university with year of upgradation of each along with date of establishment of each college at the time of upgradation to university. Will the Govt. consider to upgrade the Goalpara College to University/If yes, When? If not, Why ?

*বিষয় ঃ* **Advantage Assam সম্পর্কে**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

২৯৬। মাননীয় Industry, Commerce and public Enterprises বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) Advantage Assam এ কতগুলি ব্যবসায়িক সংস্থা অংশগ্রহণ করবে এবং কতগুলি সংস্থার সাথে MOU হবে তাহার তথ্য সদনে প্রকাশের অনুরোধ জানাই।

(খ) Advantage Assam এ যেসকল ব্যবসায়িক সংস্থার সাথে সরকারের চুক্তি MOU হবে তাহার ফলে রাজ্যে কতটাকার বিনিয়োগ হবে, তাহার তথ্য সদনে প্রকাশের অনুরোধ জানাই।

(গ) পাঁচগ্রাম পেপার মিলের পরিত্যক্ত জায়গায় সরকার কয়েকটি বিভিন্ন ধরণের উদ্যোগ গড়ে তোলার জন্য পরিকল্পনা হাতে নিয়েছেন কিন্তু এছাড়াও পেপার মিলের পরিত্যক্ত জায়গাতে Advantage Assam এ নতুন কিছু উদ্যোগ স্থাপনের জন্য ব্যবসায়িক সংস্থার সাথে MOU চুক্তি হবে কী, না? তাহার তথ্য সদনে প্রকাশের অনুরোধ জানাই।

(ঘ) Advantage Assam এ এইবার নতুন করে কতগুলো কর্মসংস্থাপন গড়ে তোলা হবে, তাহার বিস্তারিত তথ্য সদনে প্রকাশ করার জন্য অনুরোধ জানাই।

*বিষয় ঃ* **ডিজিটেলী সংৰক্ষণ সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

২৯৭। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আজান ফকীৰৰ জিকিৰ আৰু জাৰীসমূহ সংগ্ৰহ কৰি ডিজিটেলী সংৰক্ষণৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা ল'ব নেকি? যদি লয়, কেতিয়া ল'ব? বিতং তথ্য দিব।

(খ) আজান ফকীৰৰ স্মৃতি বিজড়িত স্থানসমূহকো স্বদেশ দৰ্শন আঁচনিৰ অধীনত অন্তৰ্ভুক্ত কৰিবলৈ ৰাজ্য চৰকাৰে প্ৰচেষ্টা চলাব নেকি?

(গ) বিষ্ণু প্ৰসাদ ৰাভাৰ তেজপুৰস্থিত ঘৰখন সংৰক্ষণৰ বাবে ৰাজ্য চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি? বিতং তথ্য দিব।

---

Assam Government press 40/25-LAQ-550-01-03-2025